সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৯ সংখ্যা, ১৬আহিন , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 39 * Date Of Publication - 3 October 2021 Rs.5.00/-

## দুৰ্গা পূজাত অসম ৰক্তাক্ত কৰাৰ ষড়যন্ত্ৰঃ ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে জব্দ কৰে ৮ কোটি টকাৰ বিস্ফোৰক সামগ্ৰী



বাৰ্ত্তাসেৱা - সামান্য উন্নত ক'ভিড পৰিৱেশৰ মাজতে চলা শাৰদীয় প্ৰস্তুতি বিঘ্নিত কৰি ৰাজ্য ৰক্তাক্ত কৰিবলৈ সক্ষম এক পৰিকল্পনা মহানগৰ আৰক্ষীয়ে ব্যৰ্থ কৰিবলৈ সক্ষম হ'ল। গুৱাহাটীৰ ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হ'ল জ্জ্ব কোটি টকাৰ জিলেটিনসহ ইলেক্ট্ৰিক ডিট'নেটৰ। এখন বলেৰ'ত কঢ়িয়াই অনা এই বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী গুৱাহাটীৰ মাজেৰে পাৰ কৰিব খোজাৰ সময়তে আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হোৱা ঘটনাই ভয়ংকৰ দুৰ্যোগৰ পৰা ৰক্ষা কৰিলে ৰাজ্যবাসীক। উল্লেখ্য যে ৰ অক্টোবৰ তাৰিখে পুৱা প্ৰায় ৫.৩০ বজাত আৰক্ষীৰ এটা টহলদাৰী দলে তীব্ৰ বেগেৰে অহা এ এছ-১৫ এ চি-৪৮৬৭ নম্বৰৰ এখন পিক্ আপ বলেৰ' তালাচীৰ বাবে লখৰা চাৰিআলিত ৰখাবলৈ নিৰ্দেশ দিয়াৰ সময়তে বাহনখনে আৰক্ষীৰ নিৰ্দেশ নামানি তীব্ৰ বেগেৰে গতি কৰে। লগে লগে গড়চুক আৰক্ষীয়ে বাহনখনক অনুসৰণ কৰি গড়চুক চাৰিআলিত বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। এই বিস্ফোৰক সামগ্ৰীসমূহ কঢ়িয়াই অনাৰ উদ্দেশ্য এতিয়াও পোহৰলৈ অহা নাই। ইয়াৰ

(পাঁচ পৃষ্ঠাত চাওক)

## বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি




বাৰ্ত্তাসেৱা — বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দীৰ্ঘ বিৰতিৰ অন্তত পৰ্যটকৰ বাবে মুকলি কৰে ৰাজ্যৰ বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই। বনমন্ত্ৰী গৰাকীয়ে কৃষিমন্ত্ৰী অতুল বৰাৰ উপস্থিতিত মিহিমুখৰ মূল প্ৰৱেশদ্বাৰত ফিতা কাটি আনুষ্ঠানিকভাৱে ২০২১-২২

(পাঁচ পৃষ্ঠাত চাওক)

## সম্পাদকীয়....

## খিলঞ্জীয়াৰ ভূমিস্বত্ব আৰু চৰকাৰী পদক্ষেপ



হঠাৎ দা, যাঠি-জোং, শিলেৰে আৰক্ষীক আক্ৰমন। সমগ্ৰ ঘটনাত ২ বেদখলকাৰীয়ে মৃত্যু বৰণ কৰিলে। অপ্ৰত্যাশিত এটা ভয়ংকৰ ঘটনা সংঘটিত হ'ল দৰং জিলাৰ ছিপাঝাৰৰ ধলপুৰ চাপৰিত বৃহস্পতিবাৰে। এইয়া জানো শুভ লক্ষণ হয়? কেৱল মাথো নিজৰ স্বাৰ্থত অৰ্থাৎ সংখ্যালঘু সকলৰ ভোটৰ আশাত প্ৰায় তিনি দশকজুৰি অঞ্চলটোৰ খিলঞ্জীয়া লোকসকলৰ দাবীৰ প্ৰতি আওকান কৰা হৈছিল। কেইটামান ভোটৰ বাবে এটা ৰাজনৈতিক দল ইমান তললৈ যাব পাৰে। ই কেতিয়াও গ্ৰহণযোগ্য নহয়। চিন্তাৰ বিষয় ৭৭ হাজাৰ বিঘা ভূমিত বেদখলকাৰীৰ প্ৰবেশ। এতিয়া জোৰ পৰি হাত পাইছেহি। এতিয়া যদি নহয় কেতিয়া?মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা গৰুখুঁটি কৃষি প্ৰকল্পৰ সদস্য দিলীপ শইকীয়াৰ মন্তব্য "ভূমি দেখিলেই দখল কৰা এক পৰম্পৰা কংগ্ৰেছ চৰকাৰৰ দিনত আৰম্ভ হৈছিল। সেই পৰম্পৰা এতিয়া নচলিব"। আমি সকলো অসমবাসী কথাষাৰৰ পূৰ্ণ সমৰ্থনত, কাৰণ লাগিলে আমি তেজ দিম কিন্তু ভূমি নিদিওঁ। ভূমিৰ দৰে পবিত্ৰ বস্তু কেতিয়াও বেদখলকাৰীৰ হাতত সৰ্মপন কৰা নহ'ব। উচিত গৰাকীয়ে ইয়াক পাবই লাগিব।অসম চৰকাৰে বেদখলকাৰীক উচ্ছেদৰ সিদ্ধান্ত সচাঁই প্ৰশংসনীয়। নিবনুৱা যুৱক-যুৱতীৰ বাবে লোৱা কৃষি পাম স্থাপনৰ ঘোষণাও আদৰণীয়। যিখন দেশত দিনে দিনে শিক্ষিত নিবনুৱা হাৰ বাঢ়ি গৈ আছে। তেনে সময়তে গৰুখুঁটিত এখন কৃষি পাম স্থাপনেৰে স্থানীয় যুৱকক সংস্থাপনৰ বাবে ব্যৱহাৰ কৰাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে, সেয়া গৰুখুঁটিৰ বাবে আশাৰ বতৰা। চতিয়া বিধান সভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ অধ্যক্ষতাত কৃষি প্ৰকল্পটিৰ কাম-কাজ চলিছে।

শেষত মুখ্যমন্ত্ৰী গৰকীক ধন্যবাদ জ্ঞাপন কৰিছো তেখেতৰ পদক্ষেপ সমূহৰ বাবে। ধলপুৰৰ দৰে আৰু ভিন্ন প্ৰান্তত থকা বেদখল হৈ থকা ভূমি সমূহ চিনাক্ত কৰিব বুলি আশা কৰিলোঁ। বেদখল হৈ থকা চৰকাৰী ভূমি সমূহ শিক্ষিত নিবনুৱা সকলৰ সংস্থাপনৰ বাবে কিবা প্ৰকল্পৰ কথা চিন্তা কৰিলে ভৱিষ্যতে বহু পৰিমাণে নিবনুৱা সমস্যা সমাধান হ'ব বুলি বিশ্বাস।

# টংলা আঞ্চলিক আছুৰ উদ্যোগত বিধায়ক শ্বেৰমান আলি চৌধুৰীৰ প্ৰতিমূৰ্তী দাহ

অমৰজিৎ ৰাভা, ওদালগুৰি, বাৰ্ত্তাসেৰা- ওদালগুৰি জিলা টংলা আঞ্চলিক অসম ছাত্ৰ সন্থা চমুকৈ আছুৰ উদ্যোগত শুক্ৰবাৰে উত্তাল প্ৰতিবাদ। বাংলাদেশী ৰক্ষকৰ ভূমিকা পালন কৰা ছিপাঝাৰ গৰুখুটিৰ বেদখলকাৰীৰ সমৰ্থক শ্বেৰমান আলিয়ে। বিদেশী খেদা আন্দোলনৰ মহান শ্বহীদ সকলৰ ত্যাগ আৰু সংগ্ৰামক তুচ্ছ তাচ্ছিল্য মন্তব্যৰে অপমান কৰা বিধায়ক শ্বেৰমান আলি চৌধুৰীক তীব্ৰ হুংকাৰ তথা গৰিহণা দি অসম ছাত্ৰ সন্থা টংলা আঞ্চলিকৰ উদ্যোগত টংলা চাৰিআলিত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি বিধায়ক শ্বেৰমান আলীৰ প্ৰতিমূৰ্তী দাহ কৰা দেখা যায়। উল্লেখ্য যে বাংলাদেশীক ৰক্ষণাবেক্ষণ দিয়া আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ অসমৰ ইতিহাস নজনা বিধায়ক গৰাকীক টংলা আঞ্চলিক ছাত্ৰ সন্থাই তীব্ৰ গৰিহণা দি শ্বেৰমান আলী হুচিয়াৰ, শ্বেৰমান আলী মূৰ্দাবাদ, শ্বেৰমান আলীক গ্ৰেপ্তাৰ কৰক, শ্বেৰমান আলী হায় হায় আদি প্ৰতিধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

# সানোৱা মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ অবসৰ



ফখৰুদ্দিন আহমেদ, ছিপাঝাৰ, বাৰ্ত্তাসেৰা- দৰং জিলাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ সানোৱা অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সানোৱা মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ইব্ৰাহীম আলীয়ে যোৱা ইং ৩০চেপ্তেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ, বৃহস্পতিবাৰে অবসৰ গ্ৰহন কৰে। উক্ত দিনা তেখেতৰ অবসৰ উপলক্ষে বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰা কভিড প্ৰটকল মানি বিদ্যালয়ৰ অধ্যক্ষ নুৰুল হকৰ সঞ্চালনাত অনুষ্ঠিত কৰা বিদায় সভাত অবসৰী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী গৰাকীক গামোছা, সম্বৰ্দ্ধনা পত্ৰ, শৰাই, গছৰ পুলি, গ্ৰন্থ, ছাটি আৰু ফুলৰ থোপা আদিৰে সন্মানিত কৰা হয়। লগতে সভাত উপস্থিত থকা বিদ্যালয়ৰ অবসৰী সহকাৰী শিক্ষক, বিশিষ্ট সাহিত্যিক, জিলা কৃতী শিক্ষকৰ বঁটা প্ৰাপক খাইৰুল হুছেইনে ইব্ৰাহীম আলীৰ জীৱনৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। সুদীৰ্ঘ দুকুৰী পাঁচ বছৰীয়া চাকৰি জীৱনত কোনো দিনে "নোৱাৰো" শব্দটি নোকোৱা অবসৰপ্ৰাপ্ত ইব্ৰাহীম আলীৰ সানোৱা অঞ্চলৰ শৈক্ষিক জগত খনিলৈ আগবঢ়োৱা অবদানৰ কথা বিদ্যালয় তথা সানোৱাৰ ইতিহাসত স্বৰ্নীল আখৰেৰে লিখা থাকিব বুলিও তেখেতে বক্তব্যত উল্লেখ কৰে। খাইৰুল হুছেইনৰ উপৰিও বিদ্যালয়ৰ অবসৰপ্ৰাপ্ত শিক্ষক মৌলানা আজমল হুছেইন, পবিত্ৰ ৰাম নাথ, চামছুল হক, হিতেশ্বৰ নাথ লগতে বিদ্যালয়ৰ কৰ্মৰত শিক্ষক সকলেও বক্তব্য প্ৰদান কৰে। উক্ত সভাত কৰ্মৰত অৱস্থাত বিদ্যালয়ৰ সভাত কোনো দিনে বক্তব্য প্ৰদান নকৰা কৰ্মচাৰী ইব্ৰাহীম আলীয়ে নিজৰ কৰ্মময় জীৱনৰ অভিজ্ঞতা সম্বলিত দীৰ্ঘ সময় ধৰি প্ৰদান কৰা বক্তব্যই উপস্থিত সকলোকে আপ্লুত কৰি ৰাখে।

# তিনিবছৰে দুৰাৰোগ্যত আক্ৰান্ত উত্তৰ চুবুৰি গাঁওৰ ৰৈখাংশ্ৰী বড়ো



অমৰজিৎ ৰাভা, ওদালগুৰি, বৰ্ত্তাসেৰা- বিটিআৰ ওদালগুৰি জিলা ৩১ নং খৈৰাবাৰী পৰিষদীয় সমষ্টি তথা ৬৫ নং কলাইগাঁও বিধানসভা সমষ্টিৰ ভূএগাখাট ভিচিডিচিৰ অন্তৰ্গত উত্তৰ চুবুৰি গাঁওৰ নিবাসী প্ৰফুল্ল কুমাৰ বড়ো আৰু গছুং বড়োৰ ১৪ বছৰীয়া কন্যা, বিগত ৩ বছৰ ধৰি দুৰাৰোগ্যত আক্ৰান্ত হৈ অসহায়ভাৱে পৰি থাকিব লগিয়া হৈছে। কিয়নো বিগত তিনি বছৰে পিতৃ-মাতৃয়ে ঘৰৰ সা সম্পত্তি বিক্ৰী কৰি ৰৈখাংশ্ৰী বড়োক এটাৰ পিছত এটা বিভিন্ন চিকিৎসালয়ত চিকিৎসা কৰাই আছিল যদিও কোনো সুফল নোপোৱাত উন্নত চিকিৎসাৰ বাবে GNRCৰ ডক্তৰে বহিৰাজ্যলৈ গৈ চিকিৎসা কৰোৱাৰ নিৰ্দেশ দিছিল, যদিও বৰ্তমান সময়ত দুৰ্ভগীয়া পিতৃ-মাতৃৰ সেই সামৰ্থ্য নাইকিয়া হৈছে। যাৰ সন্দৰ্ভত পিতৃ মাতৃয়ে স্থানীয় জনপ্ৰতিনিধিৰ সৈতে সহায়ৰ হাত বিচাৰিছিল যদিও কনোএজনে সহাৰী নিদিয়াত ৰৈখাংশ্ৰী বড়ো বিছনাত পৰি থাকিব লগিয়া হৈছে। সেয়েহে উপায়ন্তৰ হৈ দুৰ্ভগীয়া পিতৃ- মাতৃয়ে কিশোৰী জনীৰ উন্নত চিকিৎসাৰ বাবে সহায়ৰ হাত বিছাৰী পুনৰবাৰ নৱগঠিত বিটিআৰ পৰিৱৰ্তন কামী চৰকাৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে ৬৫ নং কলাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক দুৰ্গাদাস বড়োলৈ ছোৱালী জনীৰ সুস্বাস্থ্যৰ বাবে আৰ্থিক সহায় কৰিবলৈ কাতৰ আহ্বান জনাই। আৰু লগতে কোনোবা সদাসই ব্যক্তিয়ে যদি ইচ্ছাকৃতভাৱে ছোৱালীজনীৰ সুস্বাস্থ্যৰ বাবে কিছু পৰিমাণে আৰ্থিক সহায় কৰিব বিছাৰে তেনেহ'লে ৮০১১৫১৮৮৫৪ এই ফোন নাম্বাৰত যোগা-যোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছেঁ।

# গান্ধী জয়ন্তী দিৱসৰ লগত সংগতি ৰাখি খাগ্ৰাবাৰী জনতা হাইস্কুলত অৱসৰ প্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা





অমৰজিৎ ৰাভা, ওদালগুৰি, বাৰ্ত্তাসেৰা- ২ অক্টোৱৰ জাতি পিতা মহাত্মা গান্ধীৰ ওপজাদিন উপলক্ষে সমগ্ৰ দেশতে উলহ মালহৰে গান্ধী জয়ন্তী দিৱস উদযাপন কৰা হৈছে। সমান্তৰালকৈ ওদালগুৰি জিলা খাগ্ৰাবাৰী জনতা হাইস্কুলতো তিনিজনকৈ অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা জনোৱাৰ লগত সংগতি ৰাখি খাগ্ৰাবাৰী জনতা হাইস্কুল পৰিচালনা সমিতিৰ উদ্যোগত শিক্ষক কেৰাণীসহ চকিদাৰ সৰ্বমুঠ তিনি গৰাকী লোকক বিদায় সম্বৰ্ধনা জনোৱাৰ লগত সংগতি ৰাখি গান্ধী জয়ন্তী দিৱস উদযাপন কৰা হৈছে। উল্লেখ্য যে ১৯৭৫ চনত অসমীয়া মাধ্যম আৰু ১৯৯২ চনত বড়ো মাধ্যম স্থাপিত হোৱা খাগ্ৰাবাৰী জনতা হাইস্কুল আজিলৈ প্ৰাদেশীকৰণ হোৱা নাই। যাৰ পৰিপেক্ষিতত শিক্ষক সকলে দুকুৰি বছৰ ধৰি বিনা বেটনৰে শিক্ষকতা কৰি আজি অৱসৰপ্ৰাপ্ত হৈছে হিন্দী বিষয়ৰ শিক্ষক হাবেল দৈমাৰী, কেৰাণী তনু ৰাম ডেকা, আৰু অতি দুখৰ বিষয় চকিদাৰ শনিৰাম নাজদাৰ চাকৰী অৱসৰ হোৱাৰ চাৰিমাহ পূৰ্বেই ইহলীলা ত্যাগ কৰাক লৈ প্ৰধান শিক্ষক জামুৰ বাহাদুৰ চেত্ৰীয়ে আজিৰ দিনটোত অতি দুখ প্ৰকাশ কৰে। আৰু উক্ত বিদায় সম্বৰ্ধনাত উপস্থিত থাকে ক্ৰমে ৩২ নং ভেৰগাও পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বিটিচি কাৰ্যবাহী সদস্য দাওবাইছা বড়ো লগতে ওদালগুৰি জিলা শিক্ষা পৰিদৰ্শক ভূমীধৰ বড়োসহ জনতা হাইস্কুলৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী তথা ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত অৱসৰ প্ৰাপ্ত শিক্ষক শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে জাতী পিতা মহাত্মা গান্ধীৰ ওপজা দিনত গান্ধী জয়ন্তী দিৱস উদযাপন কৰাৰ পৰিলক্ষিত হয়।

# গান্ধীজীয়ে আমাৰ পৰা কি আশা কৰিছিল ...

বন্দিতা শৰ্মা কন্দলি

গান্ধীজী, যিজন ভাৰতবাসীৰ জাতিৰ পিতা 'বাপু', তেওঁৰ আচল নাম আছিল মোহন দাস কৰমচাঁদ গান্ধী। গান্ধীজী য়ে নিজৰ জীৱন দেশৰ আৰু দহৰ মংগলৰ কাৰণে নিয়োগ কৰিছিল সেয়ে তেওঁক মহাত্মা গান্ধী নামেৰেও জনাজাত। গান্ধীজী ৰ দেউতাক কৰমচাঁদ গান্ধী আৰু মাক পুতলীবাঈ এগৰাকী অতি ধাৰ্মিক মহিলা আছিল। লাজকুৰীয়া স্বভাৱৰ মোহনদাসে ল'ৰাকালতে কেইটিমান অতি লাগতিয়াল কথা শিকিছিল। তাৰ ভিতৰত ভক্তিমান হোৱা আৰু সত্যৰ পৰা বিচলিত নোহোৱা উল্লেখযোগ্য। পিতৃ-মাতৃৰ প্ৰতি তেওঁৰ অগাধ ভক্তি আছিল। তেওঁ বিশ্বাস কৰিছিল যে ভক্তিয়ে সদায় শক্তি দিয়ে, যি শক্তিয়ে আমাক সকলোবিলাক প্ৰলোভনৰ পৰা মুক্ত কৰি ৰাখে। তাৰ দৃষ্টান্ত 'kettle' শব্দটো শ্ৰেণীকোঠাত আনৰ পৰা নকল কৰি নিলিখাৰ পৰা ই পাব পাৰি। গান্ধীজীয়ে তেওঁৰ জীৱনটো প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিছিল। প্ৰথম ওঠৰটি বছৰ পোৰবন্দৰ ত ল'ৰালিকাল, আইন পঢ়ি থকা অৱস্থাত বিলাতত তিনিটা বছৰ, দক্ষিণ আফ্ৰিকাত কৰ্মময় একৈশটি বছৰ, বাকী তেত্ৰিশ টি বছৰ ভাৰতবাসীৰ মাজত। বিলাতৰ পৰা আহি গান্ধীজী য়ে ভাৰত আৰু দক্ষিণ আফ্ৰিকাত দুবছৰ ওকালতি কৰিছিল। তাতেই তেওঁ মানৱ সেৱা ৰ লগতে দেশবাসীৰ কাৰণে অহিংসা নীতিৰে সংগ্ৰাম আৰম্ভ কৰিছিল। তেওঁ কৈছিল যে কামৰ কোনো সৰু বৰ নাই। সকলো কামৰে মূল্য আছে। আমি সকলোৱে কথা ভাবিব লাগিব।



এই ভাৱ ধাৰাক গান্ধীজীয়ে 'সৰ্ব্বোদয়' আখ্যা দিয়ে। অৰ্থাৎ আমি জগতবাসীৰ সামূহিক উন্নতিৰ হকে ত্যাগ কৰিব লাগিব আৰু তেতিয়াহে জগতত 'ৰামৰাজ্য' প্ৰতিষ্ঠা হ'ব। গান্ধীজীয়ে ভাৰতবাসীৰ মাজত সেৱাৰ মনোভাৱ গঢ়িবলৈ সবৰমতি আৰু ৱাৰ্দ্ধা নামৰ দুখন আশ্ৰম স্থাপন কৰিছিল। আশ্ৰমবাসী ৰ মাজত 'কৰ্ম ই মানৱ ধৰ্ম' প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। বৃহৎ উদ্যোগতকৈ ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব দিয়া গান্ধীজীয়ে হস্তশিল্পৰ যোগেদি শিক্ষাদানৰ ব্যৱস্থাৰে দেশৰ শিক্ষিত চামক কৰ্মঠ, শ্ৰমৰ প্ৰতি আকৃষ্ট আৰু স্বাৱলম্বী কৰি তুলি ইংৰাজৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ গঢ়ি তুলিছিল। উপনিষদৰ - 'ত্যাগ সহ ভোগ কৰা' ৰীতি মানি চলা গান্ধীজীয়ে সেয়ে দেশৰ আৰু দহৰ মংগলৰ অৰ্থে নিজৰ সকলোখিনি বিলাই দিছিল। গান্ধীজীৰ ওচৰত শত্ৰু-মিত্ৰ সকলো সামান। তেওঁৰ মতে আমি সকলোৱে মিলা-প্ৰীতি ৰে থাকিব লাগে। অন্তৰ শুদ্ধ কৰিবলৈ অনশন কৰিব লাগে। নিয়ম শৃংখলা মানি চলিব লাগে। নাৰী জাতিক শ্ৰদ্ধা আৰু শিশুক মৰমৰ চকুৰে চাব লাগে। সত্যক আশ্ৰয় কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ সকলোৱে মনৰ বিভেদ-ভাৱ আঁতৰ কৰিব লাগে। গান্ধীজীয়ে ইয়াকে আমাৰ পৰা আশা কৰিছিল।

# মায়াবী জোনাক

লক্ষীপ্ৰিয়া বৰা
গোলাঘাট

"তুমিয়েই মোৰ জীৱনৰ সাতোৰঙী ৰামধেনু! নিশা।" পৰম হেঁপাহেৰে তাইৰ সুকোমল হাত দুখন তাৰ হাত দুখনৰ মাজত সুমুৱাই চকুত চকু থৈ কৈ উঠিল অনুৰাগে। সমুখত নৈখনৰ ৰূপোৱালী পানীত মৃদু মৃদু লহৰ। দূৰণিৰ পালতৰা নাও এখনৰ পৰা ভাঁহি অহা সুহুৰিত গোৱালপৰীয়া লোকগীতৰ মন টানি ধৰা সুৰ। বনৰীয়া ফুলৰ সুবাস কঢ়িওৱা সেমেকা ফিৰফিৰিয়া বতাহ ছাটিয়ে নিশাৰ মুকলি চুলিখিনি কোবাই গ'ল। মুখখন সামান্য ঢাকি পৰি থোৱা চুলিকেইডাল অনুৰাগে বৰ আলসুৱাকৈ তাইৰ কাণখনৰ কাষতে গুজি আকৌ কৈ উঠিল-"মোৰ আবেগ অনুভূতিক মৰম আৰু নিৰাপত্তাৰ আঁচলেৰে মেৰিয়াই সকলো সুখৰ অনন্য কাৰণ হৈ বিয়পি আছা তুমি মোৰ সমগ্ৰতাত, মোৰ উশাহ হৈ জীয়াই ৰাখিছা মোক, ভালপোৱাৰ ৰঙেৰে ৰঙীণ কৰিছা মোৰ হৃদয়ৰ আকাশ, আজীৱন মোক এই সুখানুভূতিৰে সুখী কৰি ৰাখিবানে, নিশা?" আস্ কি আকুলতা !! কেনেকৈ পাৰে সি তাই ভবা প্ৰতিটো কথাই তাইতকৈ আগত কৈ দিব! সেই একেখিনিয়েই তাইৰো মনৰ কথা। প্ৰায়েই ধৰাশায়ী হয় নিশা অনুৰাগৰ যাদুকৰী শব্দৰ মিঠা আঘাতত। আবেগত মূক হৈ কুৰুকি কুৰুকি সোমাই পৰে তাই অনুৰাগৰ বুকুত মাজত...পাতলীয়া ৰৰষুণ এজাকৰ পিছত পূবাকাশত বিচ্ছুৰিত হোৱা সাতোৰঙী সাঁজোনটোৱে প্ৰস্থান কৰাৰ লগে লগেই পশ্চিমৰ শুকুলা মেঘৰ বোকোচাত উঠি উদ্ভাসিত হয় এক সোনোৱালী ৰেখ।

: মাহী এইয়া চাহ।

ব্যস্ত চহৰখনৰ মাজমজিয়াৰ এটা সুউচ্চ অট্টালিকাৰ তৃতীয় মহলাত থকা ঘৰটোৰ শুৱনিকোঠা সংলগ্ন বেলকনিৰ আৰ্মচেয়াৰ খনতে বহি ভাৱনাত ডুব গৈ থকা নিশিতাই জয়াৰ মাততহে সম্বিৎ ঘূৰাই পায়। জয়াৰ হাতৰ পৰা চাহ কাপ লৈ শোহা এটা মাৰি আকৌ এবাৰ আকাশখনলৈ চালে। পাতলকৈ বৰষুণ এজাক পৰিছিল। জেঠমাহৰ প্ৰখৰ ৰ'দ আৰু গৰমক নিৰ্মূল কৰিব পৰা নাছিল বৰষুণ জাকে। তথাপিও কিঞ্চিৎ শাত পেলাইছ গ'ল। বাট-পথৰ ধূলিবোৰ অলপ হ'লেও মাৰ গ'ল। বৰষুণ জাক সামৰি শুকুলা মেঘবোৰে আকাশৰ বুকুত লুকা-ভাকু খেলি থাকোতেই তাই বেলকনি খনলৈ ওলাই গৈছিল। পূৱফালৰ আকাশখনত দূৰ পাহাৰৰ সিপাৰে জিলিকি আছিল সাতোৰঙী ৰামধেনু। তাই মোবাইলটো আনি ৰামধেনুৰ স্নেপ কেইটামান ৰাখি থ'লে। ফটোগ্ৰাফি তাইৰ পুৰণি চখ। কেৱল চখেই নহয়, ফটোগ্ৰাফি নিশাৰ জীৱনৰ অবিচ্ছেদ্য অংগ আছিল এটা সময়ত। কিমান যে সপোন আছিল তাইৰ ফটোগ্ৰাফিক লৈ। এই চখটোৰ বাবেই অনুৰাগৰ সৈতে বন্ধুত্ব হৈছিল কলেজত থাকোতেই। দুয়োটাই ভাল ফটোগ্ৰাফি কৰিছিল। কলেজৰ লাইব্ৰেৰীৰ দেৱালত এতিয়াও সিহঁতৰ অসমীয়া লোকসংস্কৃতিক প্ৰতিফলিত কৰা হেৰাই যাব



খোজা ছবিবোৰ আৰু পৰিবেশ সম্বন্ধীয় ফটোগ্ৰাফিবোৰ বন্ধোৱা আছে। কলেজৰ পিকনিক, এক্সকাৰ্চন আদিবোৰত সিহঁতি কেৱল ফটোগ্ৰাফিৰ উদ্দেশ্যেৰেই গৈছিল। স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা দিয়েই অনুৰাগ আৰু নিশিতা দুয়ো গুৱাহাটীত ফটোগ্ৰাফিৰ কৰ্মশালা এটাতো অংশগ্ৰহণ কৰিলে। কৰ্মশালাৰ পৰাই গুৱাহাটীৰ আশে পাশে থকা প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ঠাইবোৰ ফুৰিবলৈ পাইছিল সিহঁতে। দুয়ো ভাগ বতৰা কৰিছিল সৰু সৰু আবেগ অনুভূতিবোৰ। লাহে লাহে কলেজীয়া বন্ধুত্বৰ উত্তৰণ ঘটিছিল এক ব্যাকুলতাভৰা আবেগিক সম্পৰ্কলৈ। দুয়ো দুয়োৰে হৃদয়ৰ ৰাজসিংহাসনত বহুৱাবলৈ আৰম্ভ কৰিছিল ইজনে সিজনক। আৰম্ভ হৈছিল মিঠা মিঠা বিষেৰে এজনৰ আনজনৰ প্ৰতি আত্মিক টান। এয়াই হয়তো প্ৰেম, এয়াই হয়তো ভালপোৱা!

পৰীক্ষাৰ ফলাফল ওলাল। প্ৰথম বিভাগত অসমীয়া সাহিত্যৰ স্নাতক হৈছিল দুয়ো। অনুৰাগ গুচি আহিছিল গুৱাহাটীলৈ। কটন মহাবিদ্যালয়ত 'জাৰ্ণেলিজম এণ্ড মাছ কমিউনিকেশ্বন' ত এডমিচন লৈছিল। নিশিতাৰ কিন্তু ফটোগ্ৰাফিক লৈহে কিবা এটা কৰাৰ মন। তাই গ্ৰামাঞ্চলত দিনে দিনে হেৰাই যাব ধৰা দৃশ্যবোৰ, নৈপাৰৰ মানুহৰ জীৱন জীৱিকা আৰু সমস্যাবোৰক ফটোগ্ৰাফিৰ জৰিয়তে উপস্থাপন কৰিবলৈ বিচাৰিছিল। সেয়েহে তাই বিশ্ববিদ্যালয়লৈ যাবলৈ মন নকৰি পঢ়ি যোৱা কলেজখনতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ দূৰশিক্ষা বিভাগতে অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত এডমিচন লৈছিল। বিশ্ববিদ্যালয়লৈ নগৈ ৰাহি হোৱা পইচাৰে তাই এটা ভাল কেমেৰা কিনি ল'লে। পঢ়া-শুনা, ফটোগ্ৰাফিৰ লগতে অনু- নিশাৰ বুকুত বাজি থাকিল প্ৰেমৰ সুৰীয়া সংগীত।

স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দিয়ালৈকে নিশিতাই দুবাৰকৈ জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা ফটোগ্ৰাফি প্ৰদৰ্শনীতো ভাগ ল'লে। পেপাৰ, আলোচনী আদিতো চেগা চোৰোকাকৈ তাইৰ ফটো ওলাই থাকিল। ইতিমধ্যে অনুৰাগে মাছ কমিউনেশ্যন পাছ কৰি এটা ব্যক্তিগত সংবাদপ্ৰতিষ্ঠানৰ চাকৰিত যোগদান কৰিছিল।

স্পষ্টবাদী, দায়িত্বশীল, অমায়িক অনুৰাগৰ বিবাহৰ প্ৰস্তাৱ দুয়োখন ঘৰেই অকনো বাধা নোহোৱাকৈ স্বীকাৰ কৰিছিল। হৃদয়ৰ বান্ধোনেৰে কেতিয়াবাই বান্ধ খোৱা নিশিতা- অনুৰাগক সামাজিক বান্ধোনেৰে বান্ধি দিছিল। সুখী হৈছিল দুয়ো।

বিয়াৰ পিছত অনুৰাগৰ অফ দে বিলাকত দুয়ো মহানগৰীৰ পৰা

(ইয়াৰ পৰিৱতী খণ্ড আগলৈ)

# বিচিত্ৰ মন

জুৰি শইকীয়া

বৰ বিচিত্ৰ মানুহৰ মন। বহুতো উপমাৰে বিভূষিত আমাৰ মন । মন আটাইতকৈ বেগী, মন ৰণুৱা ঘোঁৰা, মন অপ্ৰতিৰোধ্য । যদিও মনক শৰীৰৰ এটা অংগ বুলি ক'ব নোৱাৰি অৰ্থাৎ শৰীৰৰ এইখিনি ঠাইতে আমাৰ মনটো আছে বা থাকে বুলি ক'ব নোৱাৰি তথাপিও মানুহজনে প্ৰতি মন এটা আছে । মন দুৰ্বাৰ, ঘনে ঘনে ৰং সলাব পাৰে মনে । গোটেই জীৱন জুৰি মনে পৰিচালিত কৰে জীৱনক । জীৱনৰ সুখ, দুখবোৰ মনে নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰে ।মন সুখী হ'লেই সুখী আৰু মন দুখী হ'লেই মানুহ দুখী । ক'ববালে যাম নে নাযাম মনে ক'ব আমাক, আমাৰ ৰুচিৰ কথা, ভাল লগাটো কৰিম ভাল নলগাটো নকৰিম সেইবোৰ কথা মনে কয় আমাক, মনৰ মাজতে লুকাই আছে সুখ শান্তি আৰু সফল জীৱনৰ মন্ত্ৰ । সুন্দৰ সুন্দৰ অজস্ৰ অনুভৱ, তিতা কেহঁা অভিজ্ঞতা হাঁহি কান্দোন, শৈশৱ কৈশোৰ যৌৱনৰ দুখৰীয়া স্মৃতি সকলোবোৰ আজীৱন ভাৰ বৈ লৈ ফুৰাই মনে। মনটোৰ মাজতে পুঞ্জীভূত হৈ আছে কত ঐশ্বৰ্য্য বিভূতি । মনৰ কথাকে আমি আনৰ আগত ব্যক্ত কৰোঁ, মনৰ অনুভৱবোৰ লিখোঁ বা পঢ়োঁ, মনেই আমাক কেতিয়াবা আবেগিক কৰি তোলে, আমাৰ আবেগ নিয়ন্ত্ৰণো কৰে ।মনটোক আমি কাবু কৰি ৰাখিব পাৰিলে বহুতো ঘটনা ঘটাৰ পৰা নিজকে বচাই ৰাখিব পাৰোঁ ।মনটো প্ৰফুল্লিত কৰি ৰাখিব পাৰিলে নিজকে নিৰোগী কৰি ৰাখিব পাৰোঁ। যাৰ মন শক্তিশালী হয়, মনত যেতিয়া উদ্যমতা থাকে তেনে ব্যক্তি জীৱনত সফল হয়েই । "মন কৰিলেই চন, বাককৰি মাটিতে ধন" বুলি অসমীয়াত এষাৰ কথা আছে । মন আৰু লক্ষ্য স্থিৰ হ'লে মানুহে কৃতকাৰ্যতা লাভ কৰিবই । মন কৰিলেই কামত মনোযোগ আহে । মনোযোগেই দিয়ে সফলতা আৰু মন সংযোগ বিচ্ছিন্ন হ'লেই বিফলতাৰ লগতে কেতিয়াবা ডাঙৰ ঘটনাও ঘটিব পাৰে । নিৰ্মল, প্ৰফুল্ল, বিষাদিত, বেয়া, ব্যথিত, চঞ্চল, উদাসী আদি বহুতো উপমাৰে বিভূষিতা হয় আমাৰ মন । আনহাতে অৱচেতন আৰু সচেতন এই দুটা ভাগতো ভাগ কৰা হয় মনক । সচেতন মনে ভাল বেয়া বিচাৰ কৰে, চিন্তা আৰু বিশ্লেষণেৰে



যুক্তি প্ৰদৰ্শন কৰে তেনেদৰে সপোনে অৱচেতন মনৰ বতৰা দিয়ে ।পৰিবৰ্তনশীল সময়ৰ লগত পৰিবৰ্তন হয় মন । কেতিয়াবা মনে আধুনিকতাৰ মেৰপেচত সোমাই জলাকলা খুৱাই মানুহক, আনৰ দেখিও কেতিয়াবা মন অশান্ত হৈ পৰে । বয়সৰ লগে লগে যেনেকৈ মানুহৰ অৱয়ৱৰ সলনি হয় ঠিক তেনেকৈ সলনি হয় মানুহৰ মন । শিশু কালৰ মনটোৰ লগত ডেকা কালৰ বা বুঢ়া কালৰ মন নিমিলে। ডেকা কালত মন বৰ চঞ্চল হৈ উঠে যৌৱনৰ বা লাগে মনত, এইসময়ত মনক নিয়ন্ত্ৰণ কৰি ৰাখিব নোৱাৰিলে মনে মানুহক কি কি কাম কৰাই পেলাব ঠিকনা নাই। বুঢ়াকালত মন পৰিপক্ক হৈ উঠে যদিও বুঢ়া কালৰ মনটোক আকৌ শিশু কালৰ দৰে হৈ পৰে বুলি কয় । বহাগত যেনেকৈ মনত ৰং লাগে তেনেকৈ ফাগুনত উদাস হৈ ৰিঙা ৰিঙা লাগে মন । চাৰিওফালৰ পৰিবেশ, ঘটনা, নৈ-জান-জুৰি-নিজৰা চৰাই চিৰিকটি, গছ-লতাই আমাৰ মনৰ মাজত ক্ৰিয়া কৰে বাবেই সৃষ্টি হয় ন ন কবিতা, গল্প উপন্যাস ।কবি জন মিল্টনে কৈছে "মানুহৰ মন সদায় একে ঠাইতে থাকে । কিন্তু এই মন বোলা অতি শক্তিশালী বস্তুটোৱে স্বৰ্গক নৰক আৰু নৰকক স্বৰ্গ কৰি তোলে । " চেতনা, চিন্তা, ইচ্ছা, আবেগ, কল্পনা আদি উপাদানৰ সংহতি আমাৰ মন । কিছুলোকে মনক মানুহৰ বাবে এক সম্পত্তি হিচাপে গণ্য কৰে । জড়বাদী দাৰ্শনিকসকলৰ মতে মানুহৰ মনৰ প্ৰবৃত্তি শৰীৰৰ পৰা ভিন্ন নহয় ।বৰঞ্চ মানুহৰ মস্তিষ্কৰ পৰা উদ্ভূত শৰীৰবৃত্তিক কৰ্মৰ মাধ্যমেদিয়েই মন গঢ়ি উঠে । মনে আমাক নকৰাই কি নিনিয়ে ক'লৈ ? যেতিয়াই আমি কিবা এটা কৰি সন্তুষ্ট হওঁ তেতিয়াই আমাৰ মন সন্তুষ্ট হয়, বেয়া বা দোষণীয় কাম কিবা এটা কৰিলে মন বহুত দুখী হৈ পৰে ।ৰঙীয়াল মন এটা সু-স্বাস্থ্যৰ বাহক। মনৰ শান্তি আৰু সুস্থ-সফল জীৱন দুয়োটাকে পৰিপূৰক বুলি ক'ব পাৰি । সেয়েহে আমি মনটোক চিন্তাশূণ্য আৰু নিয়ন্ত্ৰণ কৰি ৰখাটো খুবেই প্ৰয়োজন ।কিতাপ পঢ়া, গান শুনা, মেডিটেচন কৰা আদি ভাল গুণবোৰৰ দ্বাৰা মনটোক শান্তিত ৰাখিব পাৰি । জীৱনটোক সহজভাৱে গ্ৰহণ কৰি মনক চাপ মুক্ত কৰি ৰাখিব লাগে।

# শ্বহীদ প্ৰনামো তোমাক

ফখৰুদ্দিন আহমেদ

"শ্বহীদ
তোমাৰ মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য"

মোৰ প্ৰিয় কবি শ্ৰদ্ধাৰ হীৰেন ভট্টচাৰ্যৰ কাব্যিক পৰিভাষাত এই "শ্বহীদ" শব্দটিৰ সম্পৰ্কত বুজিবলৈ যথেষ্ঠ।তাকো কবিজনাই অসমৰ জাতীয় জীৱনৰ পৰিকাঠামো নিৰ্মান আৰু অৰ্থনৈতিক স্বাধীনতাৰ পৰিৱেশ গঢ়াৰ বাবে জীৱনক আহুতি দিয়া সকলৰ বাবেহে অবতাৰনা কৰি ৰচিছিল এই যুগজয়ী কবিতাত অসমীয়াৰ কলিজাৰ স্পন্দন।

অসমীয়া মানুহে যিকোনো কাৰনতে আন্দোলন কৰে বুলি এটি বদনাম আছে। সেই কাৰনেই অসমৰ বহুতো স্বনামধন্য বুদ্ধিজীৱিয়েও মাজে সময়ে লিখে অসমীয়া জাতিটো বৰ আবেগ প্ৰবন মানে আমি আবেগ প্ৰবন হয় নে নহয় কেতিয়াবা কেতিয়াবা নিজৰ গাটেই চিকুটি চাবলগা পৰিস্থিতিৰো সৃষ্টি হয়। প্ৰকৃততে অসমীয়া সকল কোনো কাৰনতে আবেগ প্ৰবন নহয়। শৰাইঘাটৰ দলঙৰ পৰা আৰম্ভ কৰি গননা কৰি চালে অসমে কোনটো বস্তু আন্দোলন নকৰাকৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছে, তাৰ হিচাপ ল'লে সেয়া আঙুলিৰ মুৰত গননা কৰিব পৰা যাব।

অসমৰ ৰাজনীতিত হেম বৰুৱাৰ দৰে সিংহ পুৰুষৰ জন্ম হোৱাৰ লগতে কেৱল ক্ষমতাৰ স্বাৰ্থত ৰাজনীতিত তিষ্ঠি থাকিবলৈ অসমীয়া সাহিত্য আৰু ভাৰতৰ ৰাজনৈতিক জগতৰ এগৰাকী পৰম সন্মানীয় ব্যক্তিয়েও ইন্দিৰা গান্ধীক অতিৰিক্ত ভাবে তোষামোদ কৰিবলৈ গৈ কৈছিল " ইন্দিৰা ইজ্ ইণ্ডিয়া এণ্ড ইণ্ডিয়া ইজ্ ইন্দিৰা"। যিটো বাক্যই তেখেতক তেখেতৰ কংগ্ৰেছী ৰাজনীতিৰ ক্ষেত্ৰত এক প্ৰকাৰ কাল হৈ পৰিছিল ।তেখেতেও যদি হেম বৰুৱাই জৱাহৰলাল নেহৰুক কৰা ব্যবহাৰ ইন্দিৰা গান্ধীক কৰিলেহেতেন তেনেহ'লে অসমে সেই সময়তেই কমেও আৰু এখন শৰাইঘাটৰ দৰে দলং লাভ কৰিলেহেতেন।

ৰাজনীতি আৰু ক্ষমতাৰ এৰাব নোৱাৰা সম্পৰ্ক থাকিলেও দুয়োটা বিষয়ৰ অবস্থান তেল আৰু পানীৰ দৰে। জনতাৰ প্ৰতি থকা দায়বদ্ধতাইহে প্ৰকৃত ৰাজনীতিবিদৰ পৰিচয়। এই ধৰণৰ দায়বদ্ধতাৰ বাবেই সাম্প্ৰতিক সময়টো প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ অসমবাসীৰ অন্তৰত জীৱন্ত ৰূপত আছে। জনতাৰ প্ৰতি থকা দায়বদ্ধতাক মূল্যবোধৰ ৰাজনীতিয়ে সোনত সুৱগা চৰাই ৰাখে।

অসমৰ সমাজ জীৱনক ঐক্য, শান্তি আৰু প্ৰগতিৰ পথত আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ, শ্ৰী শ্ৰী মাধৱ দেৱ, আজান ফকিৰ, কলকলতা, মুকুন্দ কাকতি, মনিৰাম দেৱান আৰু পিয়লি ফুকনকে ধৰি স্বাধীনতা সংগ্ৰাম, ভাষা আন্দোলন, অসম আন্দোলন আৰু শেহতীয়াকৈ কা আন্দোলনত প্ৰানাহুতি দিয়া স্বনামধন্য লোক সকলৰ সংগ্ৰামী সত্বাৰ পৰিশ্ৰম আৰু ত্যাগ অবিস্মৰনীয়। এই সংগ্ৰামী সত্বাৰ আদৰ্শ আৰু ব্যক্তিত্ব প্ৰতিজন প্ৰকৃত অসমীয়াৰ শিৰৰ ভূষন স্বৰূপ।

শেহতীয়াকৈ অসমৰ সমাজ জীৱনক জোকাৰি যোৱা গৰুখুটীৰ কৃষি প্ৰকল্পৰ বাবে ধলপুৰ চৰত হোৱা উচ্ছেদ অভিযানত গুলী চালনাত তিনিজনকৈ চৰাঞ্চলৰ লোকৰ মৃত্যু আৰু চৰাঞ্চলৰ উত্তেজিত ৰাইজৰ আক্ৰমনত এগৰাকী আৰক্ষী বিষয়াৰ লগতে কেনো আৰক্ষীৰ লোক আঘাত প্ৰাপ্ত হোৱা পৰিঘটনাৰ লগত মানবতাৰ প্ৰশ্ন জৰিত কৰি অসম আন্দোলনৰ সময়ত ধলপুৰত সংঘৰ্ষত হোৱা আঠ জন শ্বহীদ সম্পৰ্কত বাঘবৰ বিধান সভা সমষ্টিৰ বিধান শ্বেৰমান আলি আহমেদে অসৌজন্যতামূলক আৰু অসন্মানজনক মন্তব্য কৰা দৃষ্টিগোচৰ হৈছে। অৱশ্যে অসমৰ বিভিন্ন দল, সংগঠনৰ প্ৰতিক্ৰিয়া দেখি বিধায়ক গৰাকীয়ে ফেচবুক লাইভ যোগে অসমৰ ৰাইজক ক্ষমা প্ৰাৰ্থনা বিচাৰে।

দোষ কৰা আৰু ক্ষমা প্ৰাৰ্থনা বিচৰা ডাঙৰ কথা নহয়। ধনুৰ পৰা ওলাই যোৱা কাড় যিদৰে ঘুৰি নাহে ঠিক সেই দৰে মুখৰ পৰা ওলাই যোৱা বচনো পুনৰ ঘুৰি নাহে। জিভাৰ পিছল খালে এটি শব্দৰ ওলট পালট হ'ব পাৰে কিন্তু এটি দীঘলীয়া বক্তব্য মুখৰ পৰা নোলায়। অসম আন্দোলনৰ শ্বহীদক হত্যাকাৰী আখ্যা দি অসমীয়া সমাজ জীৱনৰ আবেগত তীক্ষ্ন আঘাত হনা শ্বেৰমান আলি আহমেদ সঁচাকৈয়ে এগৰাকী বিতৰ্কিত ব্যক্তি। কিছুমান নোহিৰা নোপোজা বিষয় উপস্থাপনেৰে পৰৱৰ্তী বিধান সভাৰ নিৰ্বাচনৰ বাবে বাঘবৰ সমষ্টিৰ সংখ্যালঘু ভোটাৰ সকলক ধৰি ৰখাই বিধায়ক গৰাকীৰ একমাত্ৰ উদ্দেশ্য।

বিধায়ক শ্বেৰমান আলি আহমেদে কিছুদিন পূৰ্বে মিঞা মিউজিয়ামৰ প্ৰসংগ উত্থাপন কৰি তাত লুঙী, টুপি ইত্যাদি সংৰক্ষিত কৰি ৰখাৰ পোষকতা কৰিছিল। তাকো স্থান নিৰ্বাচন কৰাৰ পৰামৰ্শ দিছিল গুৱাহাটীৰ কলা ক্ষেত্ৰৰ চৌহদৰ ভিতৰত। লুঙী, টুপি ইত্যাদি কেৱল মিঞা মুছলমান সকলৰ পৰিধেয় নহয়। এইবোৰ অসমৰ খিলঞ্জীয়া মুছলমান সকলেও ঘৰুৱা পৰিবেশত পৰিধান কৰে। লগতে সংৰক্ষন কৰা সামগ্ৰীবোৰ সংশ্লিষ্ট লোকসমাজত নোহোৱা হোৱাৰ পৰিস্থিতি হ'লেহে সেইবোৰ সংৰক্ষনৰ কথা আহে। টুপি সকলো প্ৰকাৰ মুছলমানে প্ৰাৰ্থনা বিশেষকৈ নমাজ আদায় কৰোতে মুৰত পিন্ধি লয়। সাম্প্ৰতিক সময়তো এনে নিত্য ব্যবহাৰ্য সামগ্ৰীবোৰ সংৰক্ষন কৰি ৰখাৰ প্ৰয়োজনীয়তা আহি পৰা নাই। অসমৰ হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰা, প্ৰাক্তন বিধায়ক শিলাদিত্য দেবৰ মুখৰ পৰা যেনেদৰে মুছলমান বিদ্বেষী মন্তব্য যিকোনো মুহূৰ্তত সুলভ, ঠিক একেদৰে বিধায়ক শ্বেৰমান আলি আহমেদৰ মুখৰ পৰাও কেৱল অসমৰ মিঞা জনগোষ্ঠীটোৰ সম্পৰ্কৰ মন্তব্যহে সুলভ।

মিঞা জনগোষ্ঠীৰ জনসংখ্যাৰ গাঠনিৰ বাবেই অসমৰ বহুকেইটি বিধান সভা সমষ্টিত মিঞা জনগোষ্ঠীৰ অৰ্থাৎ বাংলাদেশী মূলৰ বিধায়কৰ দপ্ দপনি চলি আছে। তথ্যমতে অসমত প্ৰায় ৪৫ লাখ খিলঞ্জীয়া মুছলমানৰ বসতি থকাৰ পিছতো বিধান সভা সমষ্টি বোৰত থকা জনসংখ্যাৰ নেতিবাচক গাঁঠনিৰ বাবেই অসমৰ বিধান সভাত আজিৰ দিনটোত এগৰাকীও

(আঠপৃষ্ঠাত চাওক)

# বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান

পৰ্যটন বৰ্ষ মুকলি কৰে। ২০২০ বৰ্ষত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে চাৰিবাৰকৈ ৰাষ্ট্ৰীয় উদ্যানখন বুৰাই পেলোৱাত ১ অক্টোবৰৰ পৰিৱৰ্তে ১৫ অক্টোবৰত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশী-বিদেশী পৰ্যটকৰ কাৰণে আনুষ্ঠানিকভাৱে মুকলি কৰিছিল বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় উদ্যান তথা পৰ্যটনস্থলীসমূহ দৰ্শন কৰি স্বাস্থ্য বিভাগে ধাৰ্য কৰি দিয়া ক'ভিড-১৯ৰ প্ৰট'কল মানি চলিবলৈ সকলোকে আহ্বান জনাইছিল। পৰৱৰ্তী সময়ত সমগ্ৰ বিশ্বৰ লগতে কাজিৰঙাতো মহামাৰী ক'ভিড-১৯এ ব্যাপক সংহাৰীৰ ৰূপ ধাৰণ কৰাৰ ফলত আন্তঃজিলা যাতায়াত বন্ধ কৰি দিয়াত ক্ৰমাৎ স্থবিৰ হৈ পৰিছিল পৰ্যটন উদ্যোগটো। ফলত কাজিৰঙাৰ পৰ্যটন উদ্যোগটোত সাংঘাতিকভাৱে প্ৰভাৱ পৰিছিল ।ক'ভিড মহামাৰীৰ ফলত বিগত দুটা বছৰ সংকটৰ সন্মুখীন হোৱা পৰ্যটন ক্ষেত্ৰখন পুনৰ মুকলি হোৱাত উৎফুল্ল হৈ পৰিছে কাজিৰঙাবাসী।

# দুৰ্গা পূজাত অসম ৰক্তাক্ত কৰাৰ ষড়যন্ত্ৰঃ

ওপৰত আৰক্ষীৰ ব্যাপক তদন্ত অব্যাহত আছে। আৰক্ষীৰ নিৰ্দেশ নামানি পলায়ন কৰা বাহনখনৰ চালকৰ নথি-পত্ৰ নথকা বাবে এনেদৰে পলায়ন কৰা বুলি আৰক্ষীয়ে প্ৰাৰম্ভিক ধাৰণা কৰিছিল যদিও বাহনখনত চলোৱা তালাচীত উদ্ধাৰ হোৱা বিস্ফোৰক সামগ্ৰীয়ে চকু কপালত তোলে গড়চুক আৰক্ষীৰ। ৰাষ্ট্ৰীয় ঘাইপথত বিস্ফোৰক সামগ্ৰীৰ কিছু অংশ দেখি একপ্ৰকাৰ হতভম্ব হৈ পৰা আৰক্ষীৰ দলটোৱে ততালিকে চালক আৰু গাড়ীখনত থকা আন এজনক আটক কৰি থানালৈ লৈ আহে। থানালৈ অনাৰ পাছতেই চলোৱা তালাচীত উদ্ধাৰ হয় বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী। বিস্ফোৰক সামগ্ৰীসমূহৰ মাজত আছে ৪, ৬৬০টা জিলেটিন ষ্টিক আৰু ২, ৩০০টা বৈদ্যুতিক ডিট'নেটৰ। যাৰ বজাৰ মূল্য হ'ব প্ৰায় ৮ কোটি টকা। ১৩ টা বেগত ভৰ্তি কৰি অনা এই বিস্ফোৰক সামগ্ৰী সমূহৰ বিপৰীতে নাছিল কোনো নথি-পত্ৰ। অৰ্থাৎ আটক হোৱা বলেৰ' বাহনখনত কিমান পৰিমাণৰ বিস্ফোৰক কঢ়িয়াই অনা হৈছিল, সেই সম্পৰ্কে সম্পূৰ্ণৰূপে অন্ধকাৰত আছিল গাড়ীখনৰ চালক। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চালক আইনল হক আৰু গাড়ীখনৰ সহায়ক ৰূপে থকা ৰহিম বাদশ্বাহৰ ঘৰ বঙাইগাঁৱৰ অভয়াপুৰীত। আৰক্ষীৰ প্ৰাথমিক জেৰাত আটক হোৱা আইনল আলী আৰু ৰহিম বাদশ্বাহে প্ৰকাশ কৰা মতে মেঘালয়ৰ লাটুমবাইৰ পৰা ৰাণীলৈ কঢ়িয়াই অনা হৈছিল এই বিস্ফোৰকখিনি। উল্লেখ্য যে এই বিস্ফোৰক সামগ্ৰীয়ে যে যিকোনো মুহূৰ্তত ৰাজ্যত এক অভাৱনীয় ভয়ংকৰ পৰিৱেশ সৃষ্টি কৰিলেহেঁতেন, সেয়া ইতিমধ্যে স্পষ্ট হৈ পৰিছে।



# চিৎকাৰ...মাথো এটি

**দেৱাশীষ গোস্বামী, নগাঁও**

এটি মাথো
ধৰণী কপোৱা
চিৎকাৰ..
হাত ভৰি আচাৰি
আৰু কিমাননো সহিব
মানবৰূপি দানবৰ
অকথ্য অত্যাচাৰ..
কামোত্তেজিত নৰপিশাচবোৰৰ
উদ্ভত, উন্মাদ আচৰণ..
ভয় আৰু শংকাত
আজি নাৰী জাতি
প্ৰতিদিন, প্ৰতিক্ষণ..
এটি....
মাথো এটি
চিৎকাৰ....
হঠাতে গোটেই জীৱনটো
হৈ পৰে
তেনেই অন্ধকাৰ...
থান বান হৈ যায়
ক'ত যে
সুখৰ সংসাৰ...
কামনা বাসনা
তেনেই ক্ষন্তেকীয়া
ইয়াৰ কবলত নপৰে যি
কৰে নিজৰ নাম যুগমীয়া..
চৰিত্ৰত লাগিলে দাগ
যি দৰে নাযায়..
পশুতকৈয়ো অধচ বুলি তাক
বিবেকে দংশে সদায়...
ন মাহ দহ দিন
যিখন গৰ্ভই
কৰিলে ধাৰণ..
কলুষিত নকৰিবা
পুৰুষ তুমি
কৰা নিজকে বাৰণ...
নাৰীদেহ দেখিলেই যাৰ
হয় লালায়িত চকু..
নিজ মাতৃ, ভগ্নী, ভাৰ্য্যাৰ ওপৰত
লুলুপ দৃষ্টি পৰিলে
কেনে লাগে বাৰু??
শেলে বিন্ধাদি
বিন্ধেনে বুকু??
নাৰী সুৰক্ষা বিষয়টো
কদাপি নহয় টান...
প্ৰকৃত চৰিত্ৰ গঠনেই
একমাত্ৰ উপায়
নাৰী নিৰ্যাতনৰ পৰা
ইয়েই
দিব যে পৰিত্ৰাণ..
পুৰুষৰ নামত কলঙ্ক এচাম
বন্ধ কৰা দুৰাচাৰ..
সুৰক্ষাৰ বাবে যে
নাৰীয়ে কৰিছে
চাৰিওফালে হাঁহাকাৰ...
একবিংশ শতিকাত ঘটিছে যে
এচামৰ চৰিত্ৰৰ বিকাৰ...
উৎকৰ্ষ সাধন নকৰো যদি
আমাৰ চিন্তাধাৰাৰ
নাৰী সুৰক্ষা বিষয়টো কিন্তু
তেনেই অসাৰ...
ৰিপু সমূহক কৰিব
পাৰিবই লাগিব দমন
সমন্ধবোৰ হ'ব তেহে
পবিত্ৰ... চিৰ জীৱন।

# কবিতাৰ শিতান

## হেঁপাহৰ শৰত

**মেঘালী দেৱী
দেৰগাওঁ**

শুকুলা মেঘে যেতিয়া,
এটোপ- দুটোপ চকুলোৰে
কান্দিলে,
জিলমিলীয়া ৰ'দালীয়ে
যেতিয়া হাঁহিলে
মোৰ গহন কোণত
কোনোবাই টুকুৰিয়ালে
বৰ্ষা বিদায়!!
আৰু
ঋতুৰাণীৰ আগমন।
চাৰিওফালে চকু ফুৰালোঁ
মেটমৰা সৌন্দৰ্য্যৰে ভৰপূৰ
ধৰিত্ৰী।
হেঁপাহ নপলায়,
আকলুৱা নয়ন
খেতিয়কৰ বাখৰুৱা প্ৰাণত
সোণগুটিৰে পৰিপূৰ্ণ শ্যামলী
লখিমী।
শ্ৰমৰ সাৰ্থকতাত
লহপহীয়া হাঁহি
নিমিষতে দূৰ হ'ল ক্লান্তি।
আৰু যেন জীপাল হয়,
ধৰিত্ৰী আইৰ অসুখত দিশহাৰা
হোৱা
জনতাৰ মৰহা মনবোৰ,
বিলীন হওক যেন এই শৰততে।

## বাৰে বাৰে প্ৰেমত পৰো

**ড° ৰাস্না ৰাজখোৱা,
জামুগুৰিহাট, শোণিতপুৰ**

কথাটো ক'ব পৰা কেনেকৈ
আৰম্ভ কৰো
ধৰিবই পৰা নাই
জন্ম হ'লে মৃত্যু হ'বই
অৱধাৰিত
তথাপি
পকা পাত হৈ সৰি পৰিব
নিবিচৰা বাসনাই
কলিজাটো বাৰে বাৰে
স্পৰ্শ কৰে
শুকান পাত হৈ
উৰি যাব নিবিচৰা কামনাই
কলিজাটো খামোচি ধৰে
সেইবাবেই
তোমাৰ বুকুৰ গহ্বৰত সোমাই
নিৰাপদ হ'ব খোজো
এটা কুঁহিপাত হৈ
জানো,
প্ৰেমৰ প্ৰতিশ্ৰুতিবোৰ
সত্যৰ অপলাপৰ বাহিৰে
আন একো নহয়
তথাপি মই
বাৰে বাৰে প্ৰেমত পৰো।

# ROOTLESS CHAOS

**Rimjhim Kalita**

Do you have heart ?
I mean some burned pieces of a
ambiguous idea?
Does it hurt ?
Does it crave for the rootless moment
of an undimensional time ?
Can you forgive your dreams ?
Don't they howl?
Don't they hate you for abandoing them?
Can you sleep in their screamings ?
Don't they bleed ?
Don't they suffocate you ?
Can you breathe ?
Don't they push you to kill yourself ?
Do you walk on streets at night ?
Among those emptied silences ?
Nights are fearless.
You can breath freely.
If you want, nights will tell you their stories.
You have to survive at least.


## নীলা বাটটোৰেদি

**মানসী মিশ্ৰ**

বহুদিনৰ পিছত মোৰ
মূৰৰ ওপৰৰ সৌখন নীলিম আকাশ
এইখনেইতো মোক ৰিঙিয়াই মাতে
মোৰ লৰালিৰ স্মৃতি হৃদয়ত সাঁচি ৰখা
এইখন নীলিম আকাশ
যি খন আকাশে জোলোঙাত ভৰাই ৰাখে
মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱন
যি খন আকাশে মোক দিয়ে
এমোকোৰা হাঁহি আৰু উচ্ছল যৌৱন
যিখন আকাশে উজাৰি দিছে
এমোকোৰা হাঁহি আৰু উচ্ছল যৌৱন
আৰু হৃদয়ৰ ভিতৰত বুটা বচা
আলফুল শব্দবোৰ
যি শব্দৰে আঁকিব পাৰি
প্ৰিয়তমৰ হৃদয়ৰ ডুখৰীয়া ছবি
আঁকিব পাৰি মনালিছাৰ বিখ্যাত হাঁহি
এই আকাশেই মোক দিয়ে প্ৰেমৰ ভাষা
মোক লৈ যাব খোজে সৌ তৰাৰ দেশলৈ
যত পানীৰেই ধুই পেলাব পাৰি
মানুহৰ হৃদয়ৰ পংকিলতাবোৰ
সুখবোৰ আঁকি দিব পাৰি
কবিতাবোৰৰ মৰমী বুকুত
আঁকি দিব পাৰি তোমাৰ মৰমী ওঁঠত।

## শৰৎ

শৰৎৰ শুভ্ৰ শেৱালি
তইয়েইতো মোক আলফুলে যাচি দিছিলি,
শৰৎৰ কোমল কুৱলীৰ পৰশত
শেৱালিৰ সুবাস বেছিকৈয়ে বিয়পি পৰিছিল,
চাচোন! কৃষ্ণচূড়াৰ ৰাঙলি পাহিবোৰে আমাৰ মৰমবোৰ দেখি
বেছিকৈয়ে উজ্জ্বল হৈ পৰিছে, পদুলিমুখৰ শেৱালি জোপা লহপহকৈ
ফুলি উঠিছে,
বতাঁহত তাৰ স্নিগ্ধময়ী সুগন্ধই মনটো যেন কল্লোলিত কৰি তুলিছে,
নিয়ৰৰ কনমানি টোপালবোৰো দুবৰীৰ দলিচাত জিলিকি উঠিছে,
শৰৎৰ কোমল বতাঁহজাকে মোকো যেন কিজানিবা চুই যায়,
উফফ!! কিযে ভাললগা অনুভৱ, শেৱালিৰ স্নিগ্ধ সুগন্ধই, নিয়ৰৰ
কনমানি টোপাল বোৰে, সন্ধিয়াৰ উদাসীন মনটোক জীপাল কৰি
তোলে


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান, সেৱা আৰু শুশ্ৰূষা আমাৰেই দায়িত্ব
জ্যেষ্ঠ নাগৰিকসকলৰ সুবিধাৰ্থে উপলব্ধ হ'ল
ৰাষ্ট্ৰীয় হেল্পলাইন সেৱা
১৪৫৬৭
(ট'ল ফ্ৰী নম্বৰ)
JANASANYOG- 1845/21
বৃদ্ধাশ্ৰম, সেৱা কেন্দ্ৰ আদি সন্দৰ্ভত তথ্য প্ৰদান
নিৰ্যাতিতসকলৰ বাবে সহায়ৰ হাত
আইনী উপদেশ আৰু পেঞ্চন সন্দৰ্ভত পৰামৰ্শ প্ৰদান
মানসিক সমৰ্থন
পঞ্জীয়ন কৰক :
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17


Rongili Barta

GUWAHATI—781025

১৬ আহিন, ১৪২৭ চন Rongili Barta, Date of Publication--3 OCTOBER, 2021

# “আন্তৰ্জাতিক অহিংসা দিৱস”

**স্বাগতা বৰুৱা গোস্বামী**



জন্মদিন বা Happy birth dayএই শব্দটো আমাৰ সকলোৰে বাবে বৰ ভাল লগা শব্দ নহয়নে বাৰু? তোমালোকৰ বয়সত, মই হিচাপ কৰি থাকো মোৰ জন্মদিনলৈ আৰু কিমান দিন বাকী আছে বাৰু?? যেতিয়া নিৰ্দিষ্ট দিনটো আহি যায় ৰাতিপুৱাৰ পৰা মনটো ভাল লাগি থাকে। সেই দিনটোত সকলোৰে পৰা কিমান যে আদৰ পাওঁ। আকৌ কোনে কোনে শুভেচ্ছা জনাইছে সেইটোও হিচাপ কৰি থাকো। আত্মীয় কোনোবাই শুভেচ্ছা নজনালে ভাবি থাকো কিয় বা নাই জনোৱা, কেনেবাকৈ পাহৰিলে নেকি আকৌ। তোমালোকৰো এনেকুৱাই হয় চাগে নহয়নে? তোমালোকে নিজৰ জন্মদিনটোতো ভাল পোৱায় তাৰ উপৰিও বন্ধু-বান্ধৱীৰ জন্মদিনবোৰো সমানেই ভাল পোৱা নহয়নে? সচাঁকৈয়ে ডেকাৰ পৰা বুঢ়ালৈকে সকলোৰে ভাল পোৱা অনুস্থান এই জন্মদিন টো?সকলো মানুহৰেই জন্ম হয় আৰু সেই জন্মই যেতিয়া বৰ্ষপুতি লাভ কৰে তেতিয়াৰ পৰাই জন্মদিনৰ অনুষ্ঠান পাতে। কিন্তু কিছুমান বিশেষ মানুহৰ জন্মৰ দিনটো গোটেই বিশ্বয়ে পালন কৰে, তেওঁলোকৰ স্মৃতি ভৱিষ্যত প্ৰজন্মৰ বাবে জীয়াই ৰাখিবলৈ। আজি তোমালোকক মই এজন ব্যক্তিৰ জন্মদিনৰ বিষয়ে ক'ম যিজনৰ জন্মদিনটো গোটেই বিশ্বয়ে উদযাপন কৰে। সেই ব্যক্তি জন হ'ল, আমাৰ সকলোৰে পৰিচিত জাতিৰ পিতা, বাপু মহামানব মহাত্মা গান্ধী। গান্ধীৰ জন্ম হয় ১৮৬৯ চনৰ ২অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দৰত। গান্ধীৰ জন্মদিনৰ দিনা বিশ্বজুৰি উদযাপিত হয় “বিশ্ব আহিংসা দিৱস” আৰু আমি সকলো ভাৰতীয়ই “গান্ধী জয়ন্তী” হিচাপে ইয়াক পালন কৰি আহিছো। আজি আমি বিশ্ব অহিংসা দিৱসনো কি জানোচোন আহা।

প্ৰতি বছৰে অক্টোবৰ মাহৰ ২ তাৰিখে আমাৰ মৰমৰ বাপুজী জনৰ জন্মৰ দিনটো অহিংসা দিৱস হিচাপে পালন কৰো ।অহিংস দিৱসৰ ধাৰণা লাভ কৰিছিল প্ৰথমে ইৰাণৰ নোবেল বটাঁ বিজয়ী শ্বিৰীন ইবাদীয়ে মুম্বাই বিশ্বৰ সামাজিক মঞ্চৰ পেৰিছ আন্তৰ্জাতিক শিক্ষাৰ্থীৰ হিন্দী শিক্ষক এজনৰ পৰা। ভাৰতীয় জাতীয় কংগ্ৰেছৰ কিছু সংখ্যক নেতাই এই ধাৰণাৰ প্ৰতি আকৃষ্ট হৈছিল ।সেই হিচাপে ২০০৭ চনত দিল্লীত অনুস্থিত হোৱা এক সত্যাগ্ৰহ সভাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী ছোনীয়া গান্ধী আৰু নোবেল বটাঁ বিজয়ী ডেছমণ্ড টুটোয়ে ৰাষ্ট্ৰসংঘক এই দিৱসৰ ধাৰণা গ্ৰহণ কৰিবলৈ আহ্বান জনায় ।তাৰপিছত ২০০৭ চনৰ ১৫ জুন তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ভোটৰ জড়িয়তে ২ অক্টোবৰ দিনটো “আন্তৰ্জাতিক অহিংসা দিৱস” হিচাপে ঘোষণা কৰি সকলোৰে মাজত “শিক্ষাৰ যোগেৰে অহিংসাৰ উপযুক্ত বাৰ্তা বাহক আৰু সমাজ সচেতনতা” আনিবলৈ সকলো সদস্য ৰাষ্ট্ৰক আহ্বান জনায়। এই দিনটোত মহাত্মা গান্ধীৰ কৰ্মৰাজী স্মৰন কৰা হয়।২০০৮ চনৰ পৰা এই দিৱস গান্ধী জয়ন্তীৰ দিনা উদযাপন কৰিবলৈ লোৱা হৈছে।গতিকে মইনাহঁত আজি “আন্তৰ্জাতিক অহিংসা দিৱস”ৰ বিষয়ে জানিলাহঁত নহয় জানো। এই মহান ব্যক্তি জনৰ জন্মদিন টোত আমি সকলোৱে তেওঁৰ নাম স্মৰণ কৰি তেখেতক শ্ৰদ্ধা জনাওঁ আহা।

# শ্বহীদ প্ৰনামো তোমাক

**ফখৰুদ্দিন আহমেদ**

খিলঞ্জীয়া মুছলমানৰ বিধায়ক নাই। অসমত অবৈধ নাগৰিকৰ সমস্যাৰ সৈতে খিলঞ্জীয়া মুছলমান সকল জৰিত নহয়। ইং ১৯৩৫ চনৰ পৰা কৃষি কৰ্মত নিয়োজিত কৰিবলৈ অসমৰ প্ৰধানমন্ত্ৰী চাৰ চৈয়দ চাদুল্লাৰ পৃষ্ঠপোষকতাত আমদানিকৃত বাংলাদেশমূলীয় মিএগ মুছলমান জনগোষ্ঠীটি জড়িত হৈ আছে। অতি সাধাৰনকৈ বুজি পাবলৈ হ'লে অসম চুক্তি অনুযায়ী ইং ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছতো অসমলৈ বাংলাদেশৰ পৰা অবৈধভাবে প্ৰবজন কৰা লোকসকল অসমৰ অবৈধ নাগৰিক হিচাপে চিনাক্তকৰন হৈছে। কিন্তু উক্ত নিৰ্দিষ্ট সময় সীমাৰ পিছত অহা অবৈধ বাংলাদেশী মিএগ লোক সকলো পূৰ্বৰ বৈধ সকলৰ লগত চামিল হৈ যোৱাত এটি অভাবনীয় সমস্যাৰ সৃষ্টি অসমত বিৰাজ কৰি আছে।

অসম চুক্তিত স্বাক্ষৰ হোৱাৰ পূৰ্বে হোৱা ছ বছৰীয়া অসম আন্দোলনত অসমৰ ৮৫৫ গৰাকী ডেকা শ্বহীদ হৈছিল। তাতে ভিতৰত ৮ গৰাকী দৰং জিলাৰ ছিপাঝাৰৰ ধলপুৰত শ্বহীদ হৈছিল। তাতে ভিতৰৰ এগৰাকীৰ নাম আছিল শ্বহীদ দয়া শৰ্মা। এই শ্বহীদ গৰাকী অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী ডঃ জয়নাথ শৰ্মাৰ ভাতৃ আছিল। ডঃ জয়নাথ শৰ্মাই এটি নিউজ চেনেলত দিয়া সাক্ষাৎকাৰৰ প্ৰত্যুত্তৰ দিবলৈ গৈ বিধায়ক শ্বেৰমান আলিয়ে পোনপটীয়াকৈ শ্বহীদ দয়া শৰ্মাৰ লগতে অসম আন্দোলনৰ শ্বহীদ সকলক হত্যাকাৰী বুলি মন্তব্য কৰিছিল। অসম আন্দোলনত হোৱা শ্বহীদ সকলক হত্যাকাৰী বুলি আখ্যা দিয়া বিধায়ক শ্বেৰমান আলি আহমেদৰ ভিতৰৰ অসমীয়াজন অসমীয়া বুলি কোনো কাৰনতেই পতিয়ন যাব নোৱাৰি। উচিত কথাটো হৈছে বিধায়ক শ্বেৰমান আলি আহমেদে অসম খনক বাঘবৰ বিধান সভা সমষ্টিৰ বৃহৎ তাণ্ডৱন বুলি ভাবিছে। এটি কথা ঠিক যে অসমৰ সমাজ জীৱনত মিএগ মুছলমান সকলৰো অৰিহনা আছে। স্বাধীনতা সংগ্ৰাম, ভাষা আন্দোলন আৰু অসম আন্দোলন আদিত মিএগ জনগোষ্ঠীৰ লোকো শ্বহীদ হৈছে। সেই সকল কিন্তু বুঢ়া লুইতৰ বুকুত চৰ-চাপৰি নতুনকৈ গঢ়ি উঠিলেই পৰিয়াল সহ টালি টোপোলালৈ গৈ এখনি চালি কৰি লৈ বসবাস আৰম্ভ কৰা সকলৰ ভিতৰৰ পৰা নহয়।

চৰাঞ্চলৰ জনজীৱনত বেয়াকৈ প্ৰভাবিত কৰা বিষয় দুটি হৈছে নিৰক্ষৰ লোক সকলৰ দেৱানীৰাজ আৰু শিক্ষিত লোক সকলৰ দালালিৰাজ। এনে লোক সকলক মুলধন হিচাপে লৈ বিধায়ক শ্বেৰমান আলি আহমেদে ৰাজনৈতিক ক্ষমতা দখল কৰি আছে যেন ধাৰনা হৈছে। সেই কাৰনেই হয়তু শ্বেৰমান আলি আহমেদে শ্বহীদৰ আত্ম বলিদানক ভেঙুচালি কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। চৰাঞ্চলত হোৱা উচ্ছেদক লৈ সৰব হোৱা বিধায়ক শ্বেৰমান আলি আহমেদে কংগ্ৰেছে অসম শাসন কৰা শেহৰ পোন্ধৰ বছৰীয়া নিৰৱতাৰ ফল হ'ল এই উচ্ছেদ অভিযান। সম্প্ৰতি বি জে পি চৰকাৰে কাৰ্যকৰীকৰন কৰা উচ্ছেদ অভিযানে অবৈধ নাগৰিকৰ বিষয়টোক সমাধানৰ পথলৈ গৈছে। সেই কাৰনেই ইং ১৯৮৫ চনৰ পৰা কেৱল ভোটৰ ৰাজনীতিৰ বাবে প্ৰয়োগ কৰি অহা, এই অবৈধ নাগৰিকৰ বিষয়টিৰ বোকোচাত উঠি নিৰ্বাচনী বৈতৰনি পাৰ হোৱা অংকত জড়িত ৰাজনৈতিক নেতা সকলে পাগলৰ প্ৰলাপ বকিবলৈ আৰম্ভ কৰিছে।

কংগ্ৰেছ চৰকাৰৰ দিনতে অসম চৰকাৰে চৰ উন্নয়ন বিভাগ নামেৰে এটি বিভাগ খুলি চৰাঞ্চলৰ উন্নয়নৰ নামত ভেকোভাওনা কৰি ধনৰ শৰাধ কৰা বিষয়ে অসমৰ ৰাইজ বাৰুকৈয়ে অবগত। সম্প্ৰতি অসম চৰকাৰে অসমৰ খিলঞ্জীয়া মুছলমান সকলৰ উন্নয়নৰ ক্ষেত্ৰত লোৱা ইতিবাচক ভূমিকাত বিধায়ক শ্বেৰমান আলি আহমেদৰ দৰে বিধায়ক আৰু ৰাজনৈতিক নেতা সকল নিশ্চয় অসন্তুষ্ট হৈছে।

অসমৰ খিলঞ্জীয়া ভুমিপুত্ৰ সকল সাবধান হ'বৰ হ'ল অনাগত দিনবোৰত যাতে শ্বহীদৰ কেচা তেজৰ বলিদানক লৈ কোনেও আঙুলি টোৱাই ভেঙুচালি বা তুচ্ছ তাচ্ছিল্য কৰিবলৈ সাহস কৰিব নোৱাৰে। কাৰন শ্বহীদৰ বলিদান অসমীয়া জাতীয় জীৱনৰ বাবে মৌকোঁহ স্বৰূপ।

কবি হেম বৰুৱাৰ ভাষাত-

“যি মৃত্যুৱে দহক জীৱন দিয়ে সেই মৃত্যু আত্মাৰ দৰেই অবিনশ্বৰ।“

# ‘স্মৃতি মান্ধানা’ পিঙ্ক বলৰ টেষ্টত শতক অৰ্জন কৰা প্ৰথম ভাৰতীয় মহিলা ক্ৰিকেটাৰ




বাৰ্ত্তাসেৱা - ভাৰতৰ মহিলা অপেনাৰ স্মৃতি মান্ধানাই পিঙ্ক বলৰ টেষ্টত শতক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা ক্ৰিকেটাৰ হিচাপে পৰিগণিত হৈছে। কুইন্সলেণ্ডত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতীয় মহিলাৰ প্ৰথম দিবা-নৈশ টেষ্টৰ প্ৰথম ইনিংছত ২৫ বছৰীয়া খেলুৱৈগৰাকীয়ে ২১৬ টা বলত ১২৭ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। এইটো মান্ধানাৰ প্ৰথমটো টেষ্ট শতক হোৱাৰ লগতে অষ্ট্ৰেলিয়াৰ ভূমিত এগৰাকী ভাৰতীয় মহিলাৰ দ্বাৰা প্ৰথমটো টেষ্ট শতক।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286